**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰেক্ষাগৃহত আজি ৩৮৫ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। ইয়াৰে শিক্ষা বিভাগত ২৮৪ গৰাকী আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত ১০১ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি অনুসৰি যোৱা ২৬ ছেপ্তেম্বৰ পৰ্যন্ত এক লাখ ২৪ হাজাৰ ৬৪৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। আজিৰ এই নিযুক্তিৰ পাছতে মুঠ নিযুক্তিৰ সংখ্যা ১ লাখ ২৫ হাজাৰ ৩০লৈ বৃদ্ধি পালে। অনুষ্ঠানৰ পাছত সাংবাদিকৰে সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এতিয়াও প্ৰায় ৪০ হাজাৰ পদৰ বাবে নিযুক্তি প্ৰক্ৰিয়া চলি আছে। ২০২৬ চনৰ ভিতৰত এক লাখ ৭০ হাজাৰ নিযুক্তি সম্পন্ন কৰাৰ লক্ষ্যৰে কাম কৰি থকা বুলিও তেওঁ লগতে প্ৰকাশ কৰে। বৰ্তমানলৈকে সম্পন্ন হোৱা এক লাখতকৈও অধিক নিযুক্তি সন্দৰ্ভত কোনো ধৰণৰ অনিয়মৰ অভিযোগ উত্থাপন হোৱা নাই বুলিও মুখ্যমন্ত্ৰী শৰ্মাই মন্তব্য কৰে। আনহাতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে আজিৰ নিযুক্তি প্ৰদান অনুষ্ঠানৰ সন্দৰ্ভত কয় যে, ৰাজ্য চৰকাৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ মূল্য দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ১ লাখ নিযুক্তি অতিক্ৰম কৰাটোৱে এই কথাকেই প্ৰমাণ কৰিছে।

০০০০০০০

ৰাজ্যৰ কৃষিখণ্ডৰ উন্নয়ন তথা কৃষকসকলৰ সহায়ক হোৱাকৈ চৰকাৰে আজি কৃষকসকলৰ মাজত বিভিন্ন কৃষি যন্ত্ৰপাতি আৰু ভূমি স্বাস্থ্য-পত্ৰ বিতৰণৰ লগতে কৃষি জ্ঞান কেন্দ্ৰ মুকলি কৰে। এই উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কৃষিমন্ত্ৰী অতুল বৰাই ২৫০টা কৃষক গোটৰ লগতে দুহেজাৰ ৪৯০ গৰাকী কৃষকলৈ ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, কঠীয়া ৰোপণ যন্ত্ৰকে ধৰি বিভিন্ন যন্ত্ৰপাতি বিতৰণ কৰে। অনুষ্ঠানত কৃষকসকলৰ মাজত ৪ লাখতকৈও অধিক ভূমি স্বাস্থ্য-পত্ৰ বিতৰণ কৰাৰ লগতে ৯৬টা কৃষি জ্ঞান কেন্দ্ৰও মুকলি কৰা হয়। ইয়াৰ লগতে ৯৩ টা কৃষিৰ উন্নয়ন বিষয়াৰ কাৰ্যালয় মুকলি কৰা হয়।

এতিয়ালৈ ২৩ লাখৰো অধিক কৃষকক ভূমি স্বাস্থ্য পত্ৰ যোগান ধৰা হৈছে। ৰাজ্য চৰকাৰে ২০২৪-২৫ বৰ্ষত ১০ লাখ ভূমি স্বাস্থ্য পত্ৰ কৃষকৰ মাজত বিতৰণ কৰাৰ লক্ষ্য হাতত লৈছে। শীঘ্ৰে বাকী থকা ৬ লাখ কৃষককো ভূমি স্বাস্থ্য পত্ৰ বিতৰণ কৰা হ'ব বুলি কৃষি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

গুৱাহাটী মহানগৰৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইত ভূমি স্বাস্থ্য পত্ৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। শোণিতপুৰ জিলাত বিধায়ক পৃথ্বিৰাজ ৰাভাৰ উপস্থিতিত দুহেজাৰৰো অধিক কৃষকক আনুষ্ঠানিকভাৱে ভূমি স্বাস্থ্য পত্ৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে জিলাখনৰ কৃষি বিভাগৰ অধীনত থকা মাটি পৰীক্ষণ কেন্দ্ৰই ৯৪ খন গাঁৱৰ প্ৰায় ২৭ হাজাৰ কৃষকৰ ভূমিৰ নমুনা সংগ্ৰহ কৰাৰ বিপৰীতে ২৬০০ ৰো অধিক কৃষকৰ মাটিৰ নমুনা পৰীক্ষা সম্পন্ন কৰিছে। এই পৰীক্ষণৰ অন্তত কৃষি বিভাগে দুহেজাৰ ৮৬ খন ভূমি স্বাস্থ্য পত্ৰ প্ৰস্তুত কৰে।

আনহাতে, যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত বৰভেটাৰ মাটি পৰীক্ষাগাৰ কেন্দ্ৰত ৰাজ্য চৰকাৰে গুৱাহাটীত আয়োজন কৰা কৃষি যন্ত্ৰ-পাতি, ভূমি স্বাস্থ্য পত্ৰ বিতৰণৰ লগতে কৃষি কেন্দ্ৰৰ মুকলি অনুষ্ঠান পোনপটীয়াকৈ সম্প্ৰচাৰ কৰে।

০০০০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। কালি দুপৰীয়া ভাগৰে পৰা বতৰ কিছু ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন ঠাইত পূজাৰ প্ৰস্তুতি অব্যাহত আছে। পূজা সমিতিসমূহে বিভিন্ন বিষয়বস্তুক আধাৰ হিচাপে লৈ পূজা মণ্ডপসমূহ আটকধুনীয়াকৈ সজাই তুলিছে। সমান্তৰালভাৱে বতৰ ফৰকাল হোৱাৰ লগে লগে মহানগৰীৰ ফাঁচীবজাৰ, গণেশগুৰিত গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে। একেদৰে ৰাজ্যৰ অন্য প্ৰান্ততো মন পছন্দৰ কাপোৰ বিচাৰি বজাৰত গ্ৰাহকে ভিৰ কৰিছে। ইপিনে, প্ৰশাসনে দুৰ্গা পূজা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে পূজা সমিতিসমূহলৈ যাৱতীয় নীতি-নিৰ্দেশনা জাৰি কৰিছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে।

০০০০০০০

নগাঁও আৰক্ষীয়ে আজি ড্ৰাগছ সৰবৰাহৰ গোচৰৰ অভিযোগত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি আবু বক্কৰ ছিদ্দিকিক গ্ৰেপ্তাৰ কৰে। নগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে, এই লোকজনৰ বিৰুদ্ধে কামপুৰৰ কছুৱা থানাত ৰুজু হোৱা ড্ৰাগছ সৰবৰাহৰ এটা গোচৰৰ সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০০

**পথ সুৰক্ষা জীৱন ৰক্ষা** শ্লʼগানেৰে ৰাজ্য চৰকাৰৰ পৰিবহণ বিভাগে আজিৰ পৰা ১৩ অক্টোবৰলৈ ৰাজ্যিক পথ সুৰক্ষা সপ্তাহ পালন কৰিছে। মন্ত্ৰী কেশৱ মহন্তই অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত পথ সুৰক্ষা সপ্তাহৰ সজাগতামূলক বাইক সমদল মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত অংশ লৈ দুৰ্ঘটনা ৰোধ কৰাৰ বাবে যান-বাহন আইন মানি চলিবলৈ সকলোৰে প্ৰতি তেওঁ আহ্বান জনাইছে। সকলো চালককে বাহনৰ গতিৰ প্ৰতি লক্ষ্য ৰখাৰ লগতে যান-বাহন আইন মানি চলা, সুৰক্ষাৰ বাবে ছিটবেল্ট তথা হেলমেট পৰিধান কৰা আৰু সুৰাপান কৰি গাড়ী নচলাবলৈ পৰিবহণ বিভাগে আহ্বান জনাইছে।

০০০০০০০

**সমাপ্ত**